অধ্যায় ১২ঃ উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্য্যটন উদ্যোগ— সমস্যা আৰু সম্ভাৱনা

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ উত্তৰ-পূৰ অঞ্চলত পৰ্য্যটন উদ্যোগৰ বৰ্ত্তমান স্থিতি

১২.৪ উত্তৰ-পূৰ অঞ্চলত পৰ্য্যটন উদ্যোগৰ প্ৰত্যাশা

১২.৫ উত্তৰ-পূৰ অঞ্চলৰ পৰ্য্যটন খণ্ডৰ উন্নতিৰ বাবে ল'ব লগা পদক্ষেপ

১২.৬ উত্তৰ-পূৰ অঞ্চলত পৰ্য্যটন উদ্যোগৰ অসুবিধাসমূহ

১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৮ অধিক জানিবলৈ

১২.৯ অগ্ৰগতিৰ খতিয়ান

১২.১০ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি-

- পৰ্য্যটন কি? উত্তৰ-পূৰৰ উন্নয়নৰ বাবে ইয়াৰ গুৰুত্ব কি?
- বৰ্তমান উত্তৰ-পূৰ অঞ্চলত পৰ্য্যটনৰ স্থিতি কি?
- উত্তৰ-পূৰত পৰ্য্যটনৰ ভৱিষ্যৎ প্ৰত্যাশা কি কি?
- পৰ্য্যটন উদ্যোগৰ প্ৰধান অসুবিধাবোৰ কি কি? আদিৰ বিষয়ে জানিবলৈ সক্ষম হ'ব

১২.২ পৰিচয়

ভাৰতৰ উত্তৰ-পূৰ অংশ অসম, মেঘালয়, অৰুণাচল প্ৰদেশ, মণিপুৰ, ত্ৰিপুৰা, নাগালেণ্ড, মিজোৰাম আৰু চিকিমক অৰ্ন্তভুক্ত কৰি উত্তৰ-পূৰ্বাঞ্চল হিচাপে চিহ্নিত হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ বিশাল ভৌগলিক আৰু মানৱ সম্পদৰ বিচিত্ৰতাই এই অঞ্চলক পৰ্য্যটনৰ এক আকৰ্ষণস্থলী হিচাপে পৰিগণিত কৰিছে। সমগ্ৰ উত্তৰ-পূৰ অঞ্চল সাংস্কৃতিক বৈচিত্ৰৰ মিলনভূমি। যদিহে এই অঞ্চলৰ ভৌগলিক মানৱ আৰু সাংস্কৃতিক বৈচিত্ৰতাৰ পূৰ্ণাঙ্গ পৰ্যায়ত উপযুক্তভাৱে পৃথিৱীৰ অইন অঞ্চলৰ আগত উপস্থাপন তথা বিজ্ঞাপন কৰা হয় তেন্তে এই অঞ্চলত পৰ্য্যটন উদ্যোগে এই অঞ্চলৰ বৰ্তমান আৰ্থ-সামাজিক উন্নয়নৰ এক নাটকীয় পৰিবৰ্তন অনাটো নিশ্চিত। এই অঞ্চলৰ আৰ্থিক উন্নয়নৰ বাবে পৰ্য্যটন উদ্যোগক অগ্ৰাধিকাৰ দিয়াটো বিশেষ ভাৱে বাঞ্ছনীয়। পৰ্য্যটন হৈছে মানুহৰ এটা অস্থায়ী পৰিভ্ৰমণ। য'ত সাধাৰণতে মানুহে বসবাস কৰে তাৰ পৰা তেওঁলোকে বাহিৰলৈ ভ্ৰমণ কৰিবলৈ যায় আৰু প্ৰত্যেকটো ভ্ৰমণতে

- গ'ল্ফ পৰ্য্যটন
- এডভান্সাৰ পৰ্য্যটন

উত্তৰ-পূৰ্বাঞ্চল বন্যজন্তুৰ বাবে বহুত চহকী অঞ্চল। দুখন ৰাষ্ট্ৰীয় উদ্যান কাজিৰঙা আৰু মানাহ অসমত অৱস্থিত। পৃথিৱীৰ ভিতৰতে আপুৰুগীয়া এশিঙীয়া গড়ৰ বাবে কাজিৰঙা বিখ্যাত। ইয়াৰ উপৰিও সমগ্ৰ অঞ্চলটো পাহাৰুৱা প্ৰাকৃতিক সৌন্দৰ্য্যৰ বাবে বিখ্যাত। উদাহৰণস্বৰূপে— অসমৰ হাফলং, অৰুণাচলৰ টাৱাং, মেঘালয়ৰ শ্বিলং, চেৰাপুঞ্জী, ডাউকী আদি য'ত ধুনীয়া ধুনীয়া জান-জুৰি, নিজৰা, বুৰঞ্জী প্ৰসিদ্ধ স্তুপ-স্তম্ভ আদি অৱস্থিত। অসমৰ চাহ পৰ্য্যটনো যথেষ্ট বিখ্যাত। অসমৰ ওপৰ ভাগৰ জিলা কেইখনত স্থাপিত চাহ বাগান বা চাহ উদ্যোগে অসমৰ পৰ্য্যটন উদ্যোগক যথেষ্ট মাত্ৰা প্ৰদান কৰিছে। ইয়াৰ উপৰিও সাংস্কৃতিক আৰু এডভান্সৰ পৰ্য্যটনৰ ক্ষেত্ৰতো এই অঞ্চল যথেষ্ট চহকী যিহেতু বেছিভাগ অঞ্চলেই পাহাৰুৱা আৰু ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিস্বতা যেনে— বড়ো, ৰাভা, মিচিং, তিৱা, কাৰ্বি, দফলা, গাৰো, খাছী, লামা, বিষ্ণুপ্ৰিয়া আদি সৰু বৰ অসংখ্যা জাতি-জনজাতিৰ মিলনভূমি। এই প্ৰত্যেক জনগোষ্ঠীৰেই ভাষা, ধৰ্ম, ৰীতি-নীতি, খাদ্যভাষ, উৎসৱ আদি সুকীয়া তথা নিজস্ব।

সেয়েহে এই বিভিন্নতাৰ ওপৰত নিৰ্ভৰ কৰি সাংস্কৃতিক পৰ্য্যটন কেন্দ্ৰ খৰটকীয়া ভাবে এই অঞ্চলত গঢ়ি উঠিছে বৰ্ত্তমানে পৰিবেশ পৰ্য্যটন Eco tourism আৰু চিকিৎসা পৰ্য্যটন কেন্দ্ৰই উত্তৰ-পূবত বিশেষকৈ অসমত নকৈ মূৰ দাঙি উঠিছে।Eco পৰ্য্যটন এটা নতুনকৈ গঢ়ি উঠা ধাৰণা য'ত মানুহে এটুকুৰা নতুন ঠাইলৈ গৈ প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰাৰ লগতে দুটা উদ্দেশ্য পূৰণ কৰে। প্ৰথমে পৰিবেশ ৰক্ষা কৰা আৰু দ্বিতীয়তে স্থানীয় মানুহৰ কল্যাণ বৃদ্ধি কৰা। এই পৰ্য্যটন Resort পৰ্য্যটনতকৈ পৃথক আৰু পৰিবেশৰ ওপৰত ইয়াৰ প্ৰভাৱ কম, তাৰোপৰি এই পৰ্য্যটনত উন্নত পাৰিকাঠামো ব্যৱস্থাৰ প্ৰয়োজন নহয়। Eco পৰ্য্যটনৰ প্ৰধান উপাদানবোৰ হ'ল মূখ্য আকৰ্ষণ থকা এটা প্ৰাকৃতিক পৰিৱেশ, এনে এটা প্ৰাকৃতিক অৱস্থা য'ত বন্ধুত্বপূৰ্ণভাৱে ভ্ৰমণ কৰাৰ সুবিধা আছে, জৈৱতন্ত্ৰত কোনো গুৰুতৰ প্ৰভাৱ নপৰা কাৰ্য আৰু জৈৱতন্ত্ৰৰ ভাৰসাম্য ৰক্ষা কৰাত সহায় হোৱা স্থানীয় বাসিন্দাৰ যোগাত্মক চিন্তাধাৰা। ইক পৰ্য্যটনৰ নিচিনা গল্ফ পৰ্য্যটনেও উত্তৰ-পূৱত গা কৰি উঠিছে। কেইবাখনো গল্ফ কৰ্ট চাহ বাগানবোৰৰ ওচৰত তথা প্ৰধান চহৰবোৰৰ ওচৰত বনোৱা হৈছে। অৱশ্যে বাগানৰ কাষৰ কৰ্টবোৰ যথেষ্ট পুৰণি। প্ৰাকৃতিক সৌন্দৰ্য্যত চহকী হোৱাৰ উপৰিও এই অঞ্চলত ঔষধি গছৰ ক্ষেত্ৰতো যথেষ্ট চহকী। আয়ুৰ্বেদ চিকিৎসা পদ্ধতি অতি পুৰণি কালৰে পৰা এই অঞ্চলত বিৰাজমান। অৰ্থাৎ এই অঞ্চল চিকিৎসা পৰ্য্যটন ক্ষেত্ৰতো সম্ভাৱনা পূৰ্ণ এলেকা। অসম এই ক্ষেত্ৰত যথেষ্ট আগবঢ়া।

ভাৰত চৰকাৰে ক্ৰমে পূৱলৈ চোৱা নীতি (Look last Policy) আৰু পূৱক কাৰ্যকৰণীয় নীতি (Act last Policy) বলবৎ কৰাৰ পিছত চিকিৎসা পৰ্য্যটন কেন্দ্ৰই উত্তৰ-পূৱ অঞ্চলত বিশেষকৈ অসমত যথেষ্ট ক্ষিপ্ৰতাৰে গা কৰি উঠিছে। চিকিৎসা পৰ্য্যটন ক্ষেত্ৰত এই অঞ্চল কেৰেলাৰ প্ৰতিযোগী হোৱাৰ সম্পূৰ্ণ সুবিধা আছে। নিঃসন্দেহে এই অঞ্চলত

ফলস্বৰূপে দেশীয় আৰু আন্তর্জাতিক দুয়োফালৰ পৰ্য্যটকৰ পৰাই ৰাজ্যিক আৰু আঞ্চলিক আয় বৃদ্ধি হয়। নেডফ্িৰ এটা অধ্যয়নৰ পৰা গম পোৱা যায় যে প্রতি এজন দেশীয় পৰ্য্যটকে তিনিজনক নিয়োগৰ ব্যৱস্থা কৰে আনহাতে প্রতি এজন বিদেশী পৰ্য্যটকে সাতঁজনক নিয়োগৰ ব্যৱস্থা কৰে। আন এটা সমীক্ষাত উলিয়াইছিল যে প্রতিটো মিলিয়ন টকা পৰ্য্যটনত বিনিয়োগ কৰিলে ই বহুতো পৰোক্ষ নিয়োগৰ উপৰিও ৪৭.৯ প্রত্যক্ষ নিয়োগৰ সৃষ্টি কৰে।

সেয়ে উত্তৰ-পূৱত পৰ্য্যটনৰ এক বৃহৎ সম্ভাৱনা আছে। উত্তৰ-পূৱত থকা বন্যপ্রাণী সংৰক্ষন উদ্যানসমূহে পৃথিৱীৰ বিভিন্ন প্রান্তত থকা পৰ্য্যটক সকলক এই অঞ্চললৈ আহিবলৈ আকর্ষণ কৰে। এই ৰাষ্ট্রীয় উদ্যানসমূহত বহুতো আপুৰুগীয়া জন্তু, চৰাই আৰু বিভিন্ন প্রজাতিৰ উদ্ভিদ আৰু জন্তু বাসস্থান। উদাহৰণস্বৰূপে এশিঙীয়া গড়ৰ বাবে কাজিৰঙা, বনৰীয়া জল ম'হৰ বাবে মানাহ আদি উল্লেখযোগ্য ইয়াৰ উপৰিও সোণালী বান্দৰ, কাছ, ফোচঁফোচিয়া শহাপহু, কটিয়া বৰাগাহৰি আদি মানাহ অভয়াৰণ্যত বিৰাজমান। মানাহক UNESCO ই পৃথিৱীৰ পুৰণি পৈত্রিক ঠাই হিচাপে স্বীকৃতি দিছে। উত্তৰ-পূৱৰ অন্যান্য ৰাষ্ট্রীয় উদ্যানে তলত দিয়া কেইখনকো অন্তর্ভুক্ত কৰে। —

- কাঞ্চনজংঘা ৰাষ্ট্রীয় উদ্যান, চিকিম
- ডিব্রু-চৈখোৱা ৰাষ্ট্রীয় উদ্যান, অসম
- নামেৰী ৰাষ্ট্রীয় উদ্যান, অসম
- ওৰাং ৰাষ্ট্রীয় উদ্যান, অসম
- বালফাক্রাম ৰাষ্ট্রীয় উদ্যান, মেঘালয়
- ন'ক্রেক ৰাষ্ট্রীয় উদ্যান, মেঘালয়
- নামধনা ৰাষ্ট্রীয় উদ্যান, অৰুণাচল প্রদেশ
- কেইবোল লামজাও ৰাষ্ট্রীয় উদ্যান, মণিপুৰ
- চিৰুই ৰাষ্ট্রীয় উদ্যান, মণিপুৰ
- মোৰলেন ৰাষ্ট্রীয় উদ্যান, মিজোৰাম
- ফাওৰঙঁপুই ৰাষ্ট্রীয় উদ্যান, মিজোৰাম
- নচন্গা ৰাষ্ট্রীয় উদ্যান, নাগালেণ্ড
- তৃষ্ণা বন্যপ্রাণী উদ্যান, ত্রিপুৰা

জীৱ-জন্তু আৰু বিভিন্ন প্রকাৰৰ চৰাইৰ উপৰিও এই অঞ্চলত বহুতো অলঙ্কাৰীক মাছ, আপুৰুগীয়া উদ্ভিদ, ঔষধি বন আৰু বিভিন্ন ধৰনৰ কেক্টাছ জাতীয় গছ পোৱা যায়। এইবোৰৰ উপৰিও পৰ্য্যটকসকলৰ বাবে এই অঞ্চলত বহুতো আচৰিত বস্তুও বিৰাজমান উদাহৰণস্বৰূপে বর্তমান বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ ক্ষিপ্রতাৰ উন্নতিয়ে পৃথিৱীৰ সকলো আচৰিত সমাধা কৰাৰ সময়তে অসমৰ হাফলং চহৰৰ জাতিংগা পাহাৰত প্রতি হাজাৰ হাজাৰ চৰাইয়ে আত্মহত্যা কৰি আছে। এই আচৰিত জাতিংগা পাহাৰে বহুত দেশীয় আৰু বৈদেশীক পৰ্য্যটকক আকর্ষণ কৰে। ইয়াৰ উপৰিও পৃথিৱীৰ সর্ববৃহৎ নদীদ্বীপ মাজুলীও পৰ্য্যটন সকলৰ

আদি বিভিন্ন প্ৰকাৰৰ পৰ্য্যটন কেন্দ্ৰ উত্তৰ-পূৰ অঞ্চলত আছে। ইয়াৰ ভিতৰত গল্ফ, চিকিৎসা আৰু জৈৰ পৰ্য্যটন কেন্দ্ৰ নতুনকৈ গঢ় লোৱা ধাৰণা।

উত্তৰ-পূৰ অঞ্চলত জৈৰ পৰ্য্যটনে যথেষ্ট প্ৰসাৰতা লাভ কৰিছে। ইয়াৰ প্ৰধান কাৰণটো হ'ল এই অঞ্চলৰ প্ৰাকৃতিক আৰু ভৌগলিক পৰিবেশ তথা প্ৰশস্ত বা সুবিধাজনক জলবায়ু। একেদৰে অসমৰ দুলীয়াজানত থকা ভাৰতীয় তেল নিগমে। সুন্দৰ গল্ফ পাঠ্যক্ৰম চলায় আছে যিটো ৰাজ্যখনৰ গল্ফ পৰ্য্যটন উন্নয়নৰ বাবে এটা যথেষ্ট প্ৰত্যাশামূলক আচঁনি। ইয়ে গল্ফ পৰ্য্যটক সকলক যথেষ্ট আকৰ্ষিত কৰে ইয়াৰ উপৰিও চিকিৎসা পৰ্য্যটন বৰ্ত্তমানে এটা যথেষ্ট গুৰুত্বপূৰ্ণ পৰ্য্যটন খণ্ড হিচাপে অসমত পৰিগণিত হৈছে। মানুহে যেতিয়া সু তথা উন্নতমানৰ চিকিৎসা ব্যৱস্থা আহৰণৰ বাবে নিজৰ বসবাস কৰা ঠাইৰ পৰা ওচৰৰ-নিলগৰ ঠাইলৈ অস্থায়ীভাৱে ভ্ৰমণ কৰে তাকে চিকিৎসা পৰ্য্যটন বোলা হয়। চিকিৎসা পৰ্য্যটন খণ্ডৰ প্ৰধান উদ্দেশ্য হৈছে — উন্নতমান যুক্ত স্বাস্থ্য সেৱা, নিম্ন মূল্যৰ চিকিৎসা পদ্ধতি, উন্নত চিকিৎসা কৌশল ইত্যাদি। চিকিৎসা পৰ্য্যটন খণ্ডৰ এটা আৰ্থিক দিশো আছে। যেতিয়া বাহিৰৰ পৰা অহা ৰোগীৰ সংখ্যা বাঢ়ে তেতিয়া ঘৰুৱা ৰাজহৰ পৰিমাণো বৃদ্ধি পায়। আয় বৃদ্ধিৰ উপৰিও চিকিৎসা পৰিকাঠামো ব্যৱস্থাৰ উন্নতিয়ে বহিৰাগত পৰ্য্যটকক আকৰ্ষিত কৰে আৰু ইয়ে নিশ্চিতভাৱে স্থানীয় লোকক চিকিৎসা প্ৰাপ্তিত আৰু জীৱন নিৰ্বাহৰ মান উন্নত কৰাত সহায় কৰে। বৰ্ত্তমান অসমৰ গুৱাহাটী এখন উল্লেখযোগ্য চিকিৎসা পৰ্য্যটনস্থলী হিচাপে চিহ্নিত হৈছে। কেইবছৰমান আগতে যিখন ঠাই মাত্ৰ কেইখন সাধাৰণ চিকিৎসালয় আৰু প্ৰাথমিক কেন্দ্ৰৰে ভৰি আছিল বৰ্ত্তমানে সেইখন ঠাইত বহু কেইখন আন্তঃৰাষ্ট্ৰীয় মৰ্য্যদা সম্পন্ন চিকিৎসালয় স্থাপনৰ উপৰিও বিখ্যাত চিকিৎসালয়ৰ শাখা সমূহ স্থাপিত হ'ল। সেয়েহে গুৱাহাটীলৈ বৰ্ত্তমান চিকিৎসা পৰ্য্যটকৰ আকৰ্ষণ বহুত বেছি।

সেই কাৰণেই পৰ্য্যটনক আমি অৰ্থনৈতিক উন্নয়নৰ ইঞ্জিন হিচাপে গণ্য কৰো। ভাৰত চৰকাৰৰ পৰ্য্যটন মন্ত্ৰণালয়ে এটা নতুন পৰ্য্যটন নীতি আৰু U N D P ৰ আধাৰত এটা প্ৰাচীন (endogonous) পৰ্য্যটন প্ৰকল্প (endogonous tourism project) আৰম্ভ কৰে। যিটোৱে পৰ্য্যটক সকলক ভাৰতবৰ্ষৰ পিছপৰা অঞ্চলসমূহৰ উদঘাটন নোহোৱা অঞ্চলসমূহ ভ্ৰমণ কৰি সেই অঞ্চলসমূহক সকলোৰে ওচৰত উদ্‌ঘাটন কৰিবৰ সুবিধা প্ৰদান কৰে। এই অঞ্চলসমূহৰ ভিতৰত উত্তৰ-পূৰ অঞ্চল উল্লেখযোগ্য।

১২.৫ উত্তৰ-পূৰ অঞ্চলৰ পৰ্য্যটন খণ্ডৰ উন্নতিৰ বাবে ল'ব লগা পদক্ষেপ

উত্তৰ-পূৰ অঞ্চলৰ পৰ্য্যটন খণ্ডৰ উন্নতিৰ বাবে ল'ব লগা পদক্ষেপ —

বৰ্তমান উত্তৰ-পূৰ অঞ্চলত পৰ্য্যটনক এক গুৰুত্বপূৰ্ণ উদ্যোগ হিচাপে নতুনকৈ গণ্য কৰা হৈছে। মুঠ ঘৰুৱা উৎপাদনৰ পৰ্য্যটনে (GDP) শতকৰা ৪০ ভাগ উৎপাদন কৰে। এই উদ্যোগৰ উন্নতিৰ বাবে চৰকাৰী আৰু বেচৰকাৰী দুয়োটা খণ্ডয়েই গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াব লাগে। তলত ভাৰত চৰকাৰে পৰ্য্যটন উদ্যোগৰ উন্নতিৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহ

১২.৬ উত্তৰ-পূৰ্ব অঞ্চলৰ পৰ্য্যটন কেন্দ্ৰৰ সমস্যাসমূহ

উত্তৰ-পূৰ্ব অঞ্চলৰ পৰ্য্যটন কেন্দ্ৰৰ সমস্যাসমূহ ঃ—

যদিও উত্তৰ-পূৰ্ব অঞ্চলত পৰ্য্যটন বিভাগে গা-কৰি উঠিছে তথাপি এই উদ্যোগৰ কিছুমান বিশেষ অসুবিধা আছে। তলত এইবোৰ আলোচনা কৰা হ'ল —

- **উপযুক্ত পৰ্য্যটন নীতিৰ অভাৱ ঃ** যদিও কেন্দ্ৰীয় চৰকাৰে কেইবাখনো পৰ্য্যটন নীতি প্ৰবৰ্তন কৰিছে কিন্তু উত্তৰ-পূৰৰ বহুকেইখন ৰাজ্যই তেওঁলোকৰ নিজা পৰ্য্যটন নীতি এতিয়াও প্ৰৱৰ্তন কৰা নাই ফলস্বৰূপে বহু ৰাজ্যৰ পৰ্য্যটন কেন্দ্ৰবোৰ এতিয়াও চিহ্নিত হোৱা নাই। উদাহৰণস্বৰূপে অসমৰ গোৱালপাৰা জিলাৰ শ্ৰীসূৰ্য্য পাহাৰ, হাফলংৰ জাতিংগা আদি অঞ্চল এতিয়াও পৰ্য্যটন বিভাগে ঢুকি পোৱা নাই। এতিয়াও উত্তৰ-পূৰৰ পৰ্য্যটন উদ্যোগ চাৰিটা 'স' প ওপৰত নিৰ্ভৰশীল — স্বাগতম (welcome), সুবিধা (facility), সূচনা (infomation) আৰু সুৰক্ষা (security)।
- **সীমাবদ্ধ এলেকাৰ অনুমতি ঃ** উত্তৰ-পূৰ অঞ্চলৰ আন প্ৰধান অসুবিধা এয়ে যে ইয়াত বলবৎ হৈ থকা সীমাবদ্ধ এলেকাৰ অনুমতিকৰণ। এই আইনৰ অধীনত যদি কোনোবা বিদেশী মানুহ উত্তৰ পূবলৈ ভ্ৰমণলৈ আহিব বিচাৰে তেন্তে তেওঁ অনুমতি পাবলৈ কেইবা লানিও দীঘলীয়া পদ্ধতি অতিক্ৰম কৰিবলগীয়া হয় সিটো সাংঘাতিক বিৰক্তিকৰ সময় খৰচী। ফলস্বৰূপে উত্তৰ-পূৰ্বাঞ্চললৈ পৰ্য্যটকৰ আগমন হ্ৰাস পায়। অৱশ্যে বৰ্তমানে যদিও এই নীতি বলবৎ নহয় তথাপি ইয়াৰ প্ৰভাৱ এতিয়াও বিদ্যমান।
- **পৰ্য্যটন পৰিকাঠামো ব্যৱস্থাৰ অভাৱ ঃ** যি কোনো উদ্যোগৰ উন্নয়নৰ বাবে প্ৰয়োজনীয় ছাবি কাঠি হৈছে সেই উদ্যোগৰ বাবে লাগতিয়াল পৰিকাঠামো ব্যৱস্থা। উত্তৰ-পূৰ অঞ্চলৰ বিশেষ ভৌগলিক বৈশিষ্ট্যৰ বাবে এই অঞ্চলক পৰিবহণ আৰু যোগাযোগ ব্যৱস্থা নিম্ন খাপৰ। ইয়াৰ উপৰিও পৰিষ্কাৰ আৰু বিশুদ্ধ খোৱা পানী যোগান, খেলা সামগ্ৰী আদিও উন্নত খাপৰ নহয়। বেছিভাগ পৰ্য্যটন কেন্দ্ৰৰ ৰাষ্ট্ৰীয় ঘাইপথ, ৰেলপথ আৰু আকাশীপথৰ লগত প্ৰত্যক্ষভাৱে সংযোগ নাই ফলত ই সমস্যাৰ সৃষ্টি কৰে।
- **বিচ্ছিন্নতাবাদ ঃ** উত্তৰ-পূৰৰ পৰ্য্যটন উদ্যোগৰ আন এটা বিশেষ অসুবিধা হ'ল — সমগ্ৰ অঞ্চলটোতে বিচ্ছিন্নতাবাদৰ অভ্যুত্থান। বিদেশী পৰ্য্যটক সকলে সেয়েহে এই অঞ্চললৈ ফুৰিবলৈ অহাটো বিপদজনক বুলি ভাৱে। বহু বিদেশী পৰ্য্যটকে অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ আহি মৃত্যুবৰণ পৰ্য্যন্ত কৰিবলগীয়া হৈছে। সেয়ে পৰ্য্যটন উদ্যোগৰ বিকাশ হ'বলগীয়া ধৰণে এতিয়ও হোৱা নাই।
- **সমন্বয়ৰ অভাৱ ঃ** এইটো দেখা যায় যে পৰ্য্যটন উদ্যোগৰ অন্তৰ্গত বিভিন্ন বিভাগৰ মাজত সমন্বয় তথা মিলামিছাৰ অভাৱ। উদাহৰণস্বৰূপে — ৰাজ্যিক পৰ্য্যটন বিভাগ, পৰিবহণ বিভাগ, চৰকাৰী তথা বেচৰকাৰী সংস্থা যিবোৰ পৰ্য্যটন উদ্যোগৰ লগত জড়িত সেইবোৰৰ মাজত সমন্বয়ৰ অভাৱ।

পৰোক্ষ নিয়োগৰ সৃষ্টি কৰে।

- এই উদ্যোগৰ উন্নতিৰ বাবে চৰকাৰে বহুত কেইখন আঁচনি তথা নতুন নীতিৰ প্ৰবৰ্তন কৰিছে।
- বৰ্ত্তমান এই অঞ্চলত বিভিন্ন ধৰণৰ পৰ্য্যটন কেন্দ্ৰ আছে — বন্যপ্ৰাণী পৰ্য্যটন, প্ৰাকৃতিক, চাহ, জৈৱতন্ত্ৰ, পৰিবেশ সাংস্কৃতিক, এডভান্সাৰ, গল্ফ, চিকিৎসা পৰ্য্যটন ইত্যাদি।
- এই অঞ্চলৰ মুঠ ঘৰুৱা আয়ৰ শতকৰা ভাগতকৈও অধিক বৰঙণি পৰ্য্যটন উদ্যোগৰ পৰা আহে। উত্তৰ-পূৱৰ পৰ্য্যটন কেন্দ্ৰৰ উন্নতিৰ বাবে চৰকাৰী আৰু বেচৰকাৰী সংস্থাবোৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগে।
- উত্তৰ-পূৱ পৰ্য্যটন উদ্যোগৰ যথেষ্ট অসুবিধা আছে।

এই অসুবিধাসমূহ দূৰ কৰিলে পৰ্য্যটন উদ্যোগে অদুৰ ভৱিষ্যতে যথেষ্ট উন্নতি কৰিব। ইয়াৰ বাবে উত্তৰ-পূৱ নিগম (NEC) আৰু ডনাৰ মন্ত্ৰালয়ে যথেষ্ট গুৰুত্বপূৰ্ণ পদক্ষেপ আগবঢ়াব লাগিব। ইয়াৰ উপৰিও পূবলৈ চোৱা নীতি (LEP) তথা পূবক কাৰ্যকৰীকৰণ কৰা নীতি (AEP) বাস্তৱত ৰূপায়িত হ'লে পৰ্য্যটন উদ্যোগৰ উন্নতি উত্তৰ-পূৱত অনিবাৰ্য্য।



১২.৮ অধিক জানিবলৈ

১) Chutia S (2015), *Prospects of Border Trade for NER of India with South Asian Countries. International Journal of Research in Economic and social science,* Issue 10

২) Gogoi B (2018), Act (Look) *East Policy and Eco Political significance of North East India (NEI), sul-Regional Connectivety Trade and Growth-The Case for North East India*, D.K.College, Mirza.



১২.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ বিশ্ব পৰ্য্যটন সংস্থাৰ মতে, যি পৰ্য্যটনে তুলনামূলকভাৱে এনেকুৱা এটুকুৱা অশান্ত নোহোৱা প্ৰাকৃতিক এলেকাৰ ভ্ৰমণক অন্তৰ্ভুক্ত কৰে য'ত পৰ্য্যটক সকলে একোটা বিশেষ উদ্দেশ্য আগত ৰাখি যেনে— অধ্যয়ন, প্ৰাকৃতিক সৌন্দৰ্য্যৰ উপভোগ আপুৱকীয়া জীৱ-জন্তু, গছ-গছনি দেখাৰ সৌভাগ্য তথা অতীত আৰু বৰ্তমানৰ সাংস্কৃতিক উপাদান আদিৰ বিষয়ে জানিবলৈ পৰা এলেকা এটালৈ ভ্ৰমণ কৰিবলৈ সক্ষম হয়। এনেকুৱা প্ৰাকৃতিক এলেকাকে পৰিবেশ পৰ্য্যটনকেন্দ্ৰ (eco

হাট অনুষ্ঠিত কৰাৰ উদ্যোগ ল'ব লাগে।



১২.১০ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (150 শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ পৰিবেশ পৰ্য্যটন (eco tourism) কেনেকৈ অইন পৰ্য্যটনতকৈ পৃথক বুজাই লিখা ?

প্ৰশ্ন ২ ঃ উত্তৰ-পূৱ অঞ্চলৰ অৰ্থনৈতিক উন্নয়নত পৰ্য্যটন উদ্যোগৰ ভূমিকা আলোচনা কৰা।

(খ) ৰচনাধৰ্মী প্ৰশ্ন [300 শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ উত্তৰ-পূৱ অঞ্চলত পৰ্য্যটনৰ বৰ্ত্তমান স্থিতি কি ?

প্ৰশ্ন ২ ঃ উত্তৰ-পূৱৰ পৰ্য্যটনৰ বিশেষ অসুবিধাসমূহ কি কি ? এইবোৰ সমাধা কৰাৰ পৰামৰ্শৰাজী দিয়া ?

*** ***** ***

আছে। যাক মানৱ জীৱনৰ মৌলিক নীতি বুলি বিবেচনা কৰিব পাৰি। আধুনিক সমবায়ৰ উৎপত্তি ১৮ শতিকাৰ প্ৰথমাৰ্ধত বুলি অনুমান কৰিব পাৰি। সমবায় এক চিন্তাবাদ হিচাপে বিকাশিত হৈছিল পুজিবাদৰ বিৰুদ্ধে এক প্ৰতিক্ৰিয়া হিচাপে, যিবোৰ দিন আছিল সমগ্ৰ ইউৰোপতে দুষ্প্ৰাপ্যতা আৰু নাটনিৰ দিন। ই উদ্যোগীক বিপ্লৱৰ পৰিস্থিতিৰ পৰা গঢ় লৈ উঠিছিল আৰু পুজিবাদী উদ্যোগ ব্যৱস্থাৰ কু-ফল বিৰুদ্ধে এক প্ৰতিক্ৰিয়া আছিল। সমবায়ৰ আধুনিক ধাৰণাটো এক অৰ্থনৈতিক ধাৰণা আৰু ই আনুষ্ঠানিক প্ৰকৃতিৰ। ই এক পৃথক গঠনৰ ব্যৱসায় যিয়ে অৰ্থনীতিৰ অন্তৰ্গত উৎপাদন বিভিন্ন ধৰণৰ প্ৰভাৱিত কৰে। ই হ'ল জনসাধাৰণৰ এক সংগঠন য'ত মূলধনক এক গৌণ ভূমিকা দি উৎপাদন কাৰ্য চলোৱা হয়।

Margaret Digby এ মত পোষণ কৰিছিল যে কেৱল মাত্ৰ সমবায় প্ৰতিষ্ঠানৰ যোগেদিহে সাধাৰণ মানুহে নিশ্চিতভাৱে সামাজিক তথা অৰ্থনৈতিক গতি প্ৰভাৱিত কৰিব পাৰে। প্ৰকৃততে ভাৰতবৰ্ষত, বিশেষকৈ গ্ৰাম্য সমাজৰ পৰিপ্ৰেক্ষিতত সমবায়ক ভাৰতীয় সমাজবাদী ধাৰাৰ অংশ হিচাপে চিহ্নিত কৰা হৈছে। প্ৰাচীন কালৰ পৰাই সামাজিক তথা অৰ্থনৈতিক কাৰ্যকলাপতে সমবায়ত অস্তিত্বৰ উমান পোৱা যায়। প্ৰাচীনতম লিখনি যেনে— বেদ, উপনিষদ, ভাগৱত, পু�ৰাণ, কৌটিল্যৰ অৰ্থশাস্ত্ৰ ইত্যাদি মানুহৰ যৌথ কৰ্মৰ বিষয়ে উল্লেখ পোৱা যায়। প্ৰাচীন ভাৰতত সমবায়ৰ চাৰিটা প্ৰধান পৰম্পৰাগত গঠন আছিল, সেইবোৰ হ'ল কুল, গ্ৰাম, শ্ৰেণী আৰু জাতি। জি. পি শ্ৰী বাস্তৱৰ মতে কুল হ'ল ভাৰতীয় সমাজত সমবায় কাৰ্যকলাপৰ আৰম্ভণি কৰা প্ৰথম আকাৰ। ই হ'ল ৰাজনৈতিক আৰু অৰ্থসামাজিক উমৈহতীয়া সংগঠন য'ত বন্ধু আৰু সম্বন্ধীয়সকলে তেওঁলোকৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক স্বাৰ্থৰ উন্নতিৰ হকে সমবায় ভিত্তিত কাম কৰে। সমাজৰ সম্প্ৰসাৰন আৰু সুস্থিৰতাৰ লগে লগে অৰ্থনৈতিক আৰু সামাজিক সহযোগিতা ক্ৰমান্বয়ে বৰ্ত্তমানে দেখা যৌথ পৰিয়ালৰ মাজতে সীমাবদ্ধ হোৱা দেখা যায়। চমুকৈ ক'বলৈ হ'লে সমাজৰ অৱহেলিত খণ্ডৰ আৰ্থসামাজিক প্ৰগতি জানিবলৈ হ'লে সমবায় সংগঠন হ'ল এক কাৰ্যকৰী মাধ্যম।

১৩.৩ ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত সমবায় সমিতি

ভাৰতবৰ্ষত সমবায় ঋণ প্ৰতিষ্ঠানসমূহ তিনি তৰপীয়া গঠনত শ্ৰেণী বিভক্ত কৰিব পাৰি।

- একেবাৰে তলৰ পৰ্যায়ত প্ৰাথমিক ঋণ সমিতি,
- মাজৰ তৰপত কেন্দ্ৰীয় সমবায় বেংক, আৰু
- একেবাৰে ওপৰত ৰাজ্যিক সমবায় বেংক

প্ৰাথমিক সমিতিয়ে বিভিন্ন নগৰ আৰু গাওঁত কাৰ্য সম্পাদন কৰে। যিহেতু ইয়াৰ সদস্য পদ স্থানীয় অঞ্চলৰ সকলোৰে বাবে মুকলি, বিভিন্ন স্তৰৰ লোকক এটা উমৈহতীয়া সংগঠনৰ আওঁতালৈ অনা হয়। কেন্দ্ৰীয় সমবায় বেংকে জিলাৰ সদৰসমূহত কাম কৰে। কেন্দ্ৰীয় সমবায় বেংকৰ সদস্য পদ কেৱল মাত্ৰ প্ৰাথমিক সমিতিৰ মাজতেই সীমাবদ্ধ, সেয়া

হ'ল একমাত্ৰ ৰাজ্য য'ত সামান্য আশাপ্ৰদ সংখ্যাৰ (১৭১৯) PACS আছে। কিন্তু ইয়াৰেয়েই হ'ল ৩৭৯ মৃত। তালিকাত দেখা মৰ্মে উত্তৰ-পূৰ্বাঞ্চলত নগৰীয়া সমবায় বেংকৰ সংখ্যা দুখজনক। অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ড নগৰীয়া সমবায় বেংক এটাও নাই। উত্তৰ-পূৰ্বাঞ্চলৰ অন্য ছয়খন ৰাজ্যত মুঠ ১৭ টা নগৰীয়া সমবায় বেংক কাৰ্যক্ষম হৈ আছে। ৰাজ্যিক সমবায় বেংকৰ মুঠ কাৰ্যালয় সংখ্যাও তেনেই সীমিত। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত ইয়াৰ সংখ্যা হ'ল ২৩৬ আৰু সৰ্বভাৰতীয় ৰাজ্যিক সমবায় বেংকৰ তুলনাত ই মাত্ৰ ১.৭৫%।

তালিকা ঃ ১৩.২ উত্তৰ-পূৰ্বাঞ্চলত PACS, UCB আৰু ৰাজ্যিক সমবায় বেংকৰ সংখ্যা আৰু প্ৰকাৰ

ৰাজ্য	প্ৰাথমিক কৃষি ঋণ সমিতি (২০১১-১২) PACS					নগৰীয়া সমবায় বেংক	ৰাজ্যিক সমবায় বেংকৰ কাৰ্যালয়
	মুঠ	কাৰ্যক্ষম	সাম্ভাৱ্য কাৰ্যক্ষম	সুপ্ত	মৃত		
অৰুণাচল প্ৰদেশ	৩৪	২০	৫	৪	৫	০	৩৩
অসম	৭৬৬	৭০৯	৫৭	০	০	৮	৬৮
মণিপুৰ	২০৪	১৯৫	০	৮	১	৩	১০
মেঘালয়	১৭৯	১৩৮	৪১	০	০	৩	৪৩
মিজোৰাম	১৩৩	১৩৩	০	০	০	১	১৩
নাগালেণ্ড	১,৭১৯	৪৫৭	২২৪	৬৫৫	৩৭৯	০	২২
চিকিম	১৬৯	১৫৮	১১	০	০	১	৮
ত্ৰিপুৰা	২৬৮	২৬০	৮	০	০	১	৩৯
উত্তৰ-পূৰ্বাঞ্চলৰ মুঠ	৩,৪৭২	২,০৭০	৩৫০	৬৬৭	৩৮৫	১৭	২৩৬
সৰ্বভাৰতীয়	৯৩,৪১৩	৬৫,৯৮৫	২১,৫৯৮	৩,২৫৯	১,৩৬৪	১,৬০৬	১৩,৪২৭

উৎস ঃ *Statistical Tables Relating to Banks of India (various Issues), Reserve Bank of India.*



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ তলৰ উক্তিসমূহ সাঁচা নে মিছা উল্লেখ কৰক ঃ

(ক) উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত অসমত সৰ্ব্বোচ্চ সমবায় সমিতি আছে

(খ) সমবায়ৰ জৰিয়তে গ্ৰাম্য উন্নয়নে আঞ্চলিক বিকাশৰ অৱহেলিত অঞ্চলসমূহৰ উন্নয়নত অৰিহণা যোগোৱা নাই।

প্ৰশ্ন নং ২ ঃ উত্তৰ-পূৰ্ব ভাৰতৰ নগৰীয়া সমবায় বেংকসমূহ উল্লেখ কৰক। (৩০ টা শব্দৰ ভিতৰত)

ফেডাৰেচন গঠন কৰে। ই বৰ্তমান গুজৰাটত যৌথভাৱে ৩৬ নিযুত দুগ্ধ উৎপাদনকাৰীৰ স্বত্তাধিকাৰৰ অধীনত। ইয়াৰ বাৰ্ষিক আয় (২০১৭-১৮) ভাৰতীয় মুদ্রাৰ হিচাবত ২৯,২২৫ কৌটি যিটো $ ৪.১ বিলিয়ন আমেৰিকান ডলাৰৰ সম মূল্যৰ। Sewa মহিলাৰ ষ্ট্ৰীট ভেনদৰ সমবায় হিচাপে ১৯৭২ চনত প্ৰতিষ্ঠিত হৈছিল আৰু পিছলৈ ১৯৭৪ চনত Sewa সমবায় বেংক হিচাপে সম্প্ৰসাৰণ হৈছিল। বৰ্তমান Sewa বিভিন্ন ক্ষেত্ৰত সমবায় প্ৰচেষ্টাৰ এক বৃহৎ নেটৱৰ্ক।

১৩.৪.১ অসম গ্ৰাম্য অৰ্থনীতিত সমবায়

সমবায়ৰ যোগেদি গ্ৰাম্য উন্নয়নে নগৰীয়া পুঁজিপতি আৰু উদ্যোগপতিৰ দ্বাৰা অৱহেলিত অঞ্চলৰ আঞ্চলিক উন্নয়নত সহায় কৰে আৰু একে সময়তে সমবায় আয় আৰু নিয়োগৰ অসমতাও দূৰ কৰে কাৰণ সমবায়ৰ লাভ সৰহসংখ্যক মানুহৰ দ্বাৰা ভগাই লোৱা হয়।

আধুনিক আদৰ্শীকৰণ আৰু হিচাবৰ মাধ্যমৰ লগত সংগতি ৰাখি অসম চৰকাৰে নাবার্ড (NABARD) আৰু ভাৰত চৰকাৰৰ সৈতে এখন বুজাবুজিৰ চুক্তি (MOU) স্বাক্ষৰ কৰিছে, য'ত ৰাজ্যখনৰ সকলো প্ৰাথমিক কৃষি সমবায় সমিতি (PACS) আৰু গাওঁ পঞ্চায়ত সমবায় সমিতি (GPSS) ৰ গণনা ব্যৱস্থাত সমমান আৰু স্বচ্চতা আনিবৰ বাবে NABARD ৰ দ্বাৰা প্ৰস্তুত কৰা এক উমৈহতীয়া গণনা ব্যৱস্থা (Common Accounting System) প্ৰৱৰ্তন কৰা হৈছে। গাও পঞ্চায়ত সমবায় সমিতিয়ে (GPSS)

এতিয়া ইয়াৰ সদস্য সকলৰ শস্য ঋণ আগবঢ়োৱাৰ উদ্দেশ্যে সংশ্লিষ্ট বেংকৰ শাখাৰ পৰা নতুন পুঁজি পোৱাৰ বাবে যোগ্যতা অৰ্জন কৰিলে।

ভাৰতৰ দৰে অসমতো গ্ৰাম্যাঞ্চলত চাৰি প্ৰকাৰৰ সমবায় দেখিবলৈ পোৱা যায় —

- প্ৰাথমিক কৃষি ঋণ সমবায় সমিতি
- অনা ঋণ কৃষি সমিতি
- সমবায় খেতিপাম সমিতি
- অন্যান্য কৃষি ভিত্তিক সমবায় সমিতি যেনে— দুগ্ধ উৎপাদন, মৎস্য উৎপাদন, পাচলি উৎপাদন, বস্ত্ৰ উৎপাদন, ৰেচম উৎপাদন আৰু স্থানীয় হস্তশিল্প আৰু কলাকৌশল উন্নয়ন সমিতি আদি। উদাহৰণস্বৰূপে অসম কাঁহ-পিতলৰ বাচন বৰ্তন উৎপাদন সমিতি পৰিসীমিত, সৰ্থেবাৰী, ৰৰপেটা। যি ৰাজ্যখনৰ এটা আটাইতকৈ পুৰণি পঞ্জীয়নভুক্ত সমিতি; যিয়ে এই কলাত নিয়োজিত স্থানীয় কুশলী সকলৰ জীৱিকা আৰু বজাৰৰ এখন মঞ্চ দিছে।

গ্ৰাম্য সমবায় সমিতিসমূহ বৰ্তমান গৃহ নিৰ্মাণ, শক্তি, বীমা, স্বাস্থ্য সেৱা আৰু যোগাযোগ আদি ক্ষেত্ৰতো কিছুমান ৰাজ্যত নিয়োজিত হোৱা দেখা যায়। এইবোৰে



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ অসমত কাম কৰি থকা কিছু সংখ্যক সমবায়ৰ নাম লিখক। (২০ টা শব্দৰ ভিতৰত)

.....

.....

প্রশ্ন নং ৪ ঃ অসমৰ সমবায় সমিতিসমূহৰ স্তৰসমূহ লিখক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

১৩.৫ মহিলা সমবায় সমিতি

গ্রাম্য ভাৰতত সমবায় সমিতিৰ পৰিসৰ তেতিয়াহে অধিক উন্নীত হ'ব যেতিয়া মহিলাৰ অংশগ্রহণ বৃদ্ধি হ'ব। এই ক্ষেত্রত আত্মসহায়ক গোটসমূহৰ ভূমিকা উল্লেখ কৰিবই লাগিব। কিয়নো এইবোৰে কেৱল গ্রাম্য মহিলাৰ মাজত বিত্তীয় স্বাৱলম্বিতা আৰু শিক্ষাৰ প্রসাৰ কৰাই নহয়, ই তেওঁলোকক জীৱিকাৰ উৎস, তেওঁলোকৰ লগত জড়িত বিষয়সমূহৰ ক্ষেত্রত সংগঠিত হৈ মাত মতাৰ লগতে তেওঁলোকৰ পৰম্পৰাগত দক্ষতা আৰু কলাৰো বিকাশ সাধন কৰিছে। আত্মসহায়ক গোট সমূহে মহিলাসকলৰ বাবে ঋণ উপলব্ধতাৰ উন্নতি সাধন কৰিছে আৰু মহাজনৰ ওচৰত তেওঁলোকৰ নির্ভৰশীলতা হ্রাস কৰিছে। এই ক্ষেত্রত ৰাষ্ট্রীয় গ্রাম্য জীৱিকা অভিযানৰ সহযোগত সমবায় বিভাগে আত্মসহায়ক গোটসমূহ সমবায়ৰ অধীনলৈ অনাৰ প্রচেষ্টা চলাইছে যাতে এইবোৰ অধিক মানদণ্ড সম্পন্ন হয়। চৰকাৰে মহিলা সমবায় সমিতিসমূহৰ বাবে এলানি বিশেষ আঁচনিৰ ৰূপায়ন কৰিছে সেইবোৰ তলত উল্লেখ কৰা হ'ল —

- **ৰাজহুৱা বিতৰণ ব্যৱস্থাত জড়িত বহুমুখী মহিলা সমবায় বিপণী ঃ** ইয়াক অনা ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ ব্যৱসায়সমূহৰ বিচিত্রকৰণৰ উদ্দেশ্য ৰূপায়ণ কৰা হৈছিল আৰু গ্রাহকৰ বাবে কেতবোৰ বিশেষ নির্বাচিত অনা-ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সামগ্রী বজাৰ দৰৰ তলত উপলব্ধ কৰাই সমিতিসমূহক আকর্ষণ কৰাৰ উদ্দেশ্যৰে ইয়াক ৰূপায়িত কৰা হৈছিল। অসম ৰাজ্যিক সমবায় এপেক্স বেংক লিমিটেড ইয়াৰ সম্পূর্ণ ধন আৰু ঋণ আগবঢ়াইছে।
- **সমন্বিত মহিলা সমবায় সৱলীকৰণ যোজনা ঃ** সমবায় আন্দোলনত মহিলাৰ অংশগ্রহণ বৃদ্ধি আৰু তেওঁলোকৰ ব্যৱসায় কার্যাবলী ক্ষুদ্র ব্যৱসায় যেনে — ৰাজহুৱা বিতৰণ ব্যৱস্থা, হস্ততাত শিল্প, আচাৰ প্রস্তুতি ইত্যাদিৰ জৰিয়তে আর্থ-সামাজিক বিকাশ নিশ্চিত কৰাৰ উদ্দেশ্যে এই আঁচনি ৰূপায়ণ কৰা হৈছিল।

৩) Dhar, P. K (2016) 'The Economy of Assam-Including Economy of North East India', *Kalyani Publishers*, ISBN 978-93-272-6705-2

১৩.৮ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) সঁচা (খ) মিছা

২ নং প্ৰশ্নৰ উত্তৰ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ নগৰ সমবায় বেংক অসমৰ ৪ টা, মণিপুৰ আৰু মেঘালয় উভয়ৰে ৩ টা তকৈ, মিজোৰাম, চিকিম আৰু ত্ৰিপুৰা প্ৰত্যেকৰে ১ টাকৈ। সৰ্বমুঠ উত্তৰ-পূৰ্বাঞ্চলত মুঠ ১৭ টা নগৰ সমবায় বেংক আছে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ কনকলতা নগৰ সমবায় বেংক পৰিসীমিত যোৰহাট আৰু অসম সমবায় মৰাপাট মিল পৰিসীমিত, শিলঘাট, নগাওঁ হৈছে অসমত কাৰ্য কৰি থকা সমবায়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ অসমতো, ভাৰতৰ দৰে গ্ৰাম্যাঞ্চলত চাৰি প্ৰকাৰৰ সমবায় দেখিবলৈ পোৱা যায়—

ক) প্ৰাথমিক কৃষি ঋণ সমবায় সমিতি

খ) অনা ঋণ কৃষি সমিতি

গ) সমবায় খেতিপাম সমিতি

ঘ) অন্যান্য কৃষিভিত্তিক সমবায় সমিতি যেনে— দুগ্ধ উৎপাদন, মৎস্য উৎপাদন, পাঁচলি উৎপাদন, বস্তু উৎপাদন, ৰেচম উৎপাদন আৰু স্থানীয় হস্তশিল্প আৰু কলা কৌশল উন্নয়ন সমিতি আদি।

১৩.৯ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ সমবায় সমিতিসমূহৰ বৰ্তমানৰ প্ৰতিচ্ছবিৰ ওপৰত এটি চমু টোকা লিখক।

প্ৰশ্ন ২ ঃ প্ৰাথমিক কৃষি ঋণ সমিতিৰ ওপৰত এটি চমুটোকা লিখক।

খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমৰ প্ৰসঙ্গঁত নগৰ অঞ্চলৰ সমবায়ৰ বিষয়ে বহলাই লিখক।

প্ৰশ্ন ২ ঃ অসমৰ বিশেষ উদ্ধৃতি দি মহিলা সমবায় সমিতিৰ ওপৰত এটি টোকা লিখক।

প্ৰশ্ন ৩ ঃ অসমৰ সমবায় আন্দোলনৰ ইতিহাসৰ ওপৰত কেইটামান গুৰুত্বপূৰ্ণ দিশ আঙুলিয়াই দিয়ক।

*** ***** ***

১৪.৩ স্বাধীনতাৰ পিছত অসম আৰু উত্তৰ-পূৰ ভাৰতৰ অৰ্থনৈতিক পৰিকল্পনা

বৰ্তমান যুগত অৰ্থনৈতিক উন্নয়নৰ বাবে 'অৰ্থনৈতিক পৰিকল্পনা' সকলোতে গ্ৰহণযোগ্য পদ্ধতি বুলি অভিহিত কৰা হৈছে। অৰ্থনৈতিক পৰিকল্পনা এটা পদ্ধতি যাৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰে প্ৰধান অৰ্থনৈতিক সিদ্ধান্তবোৰ তৈয়াৰ কৰে। মানুহৰ প্ৰয়োজন তথা উপযুক্ত সম্পদৰ ওপৰত ভিত্তি কৰি এক নিৰ্দিষ্ট সময়ৰ ভিতৰত উন্নয়নমূলক পৰিকল্পনাবোৰ কেন্দ্ৰীয় পৰিকল্পনা আয়োগলৈ হস্তান্তৰ কৰাৰ আগতেই প্ৰস্তুত কৰি লয় আৰু তাৰ পিছত দেশৰ আৰ্থিক কাৰ্য্যৱলী বাস্তৱত ৰূপায়িত কৰিবলৈ পৰিকল্পনা আয়োগে নিৰ্দেশ দিয়ে। ৰবিন্সৰ মতে, "To plan is to act with a purpose, to choose and choice is the essence of economic activity" ১৯৬০ চনৰ পিছৰ পৃথিৱীৰ বহুতো দেশতে অৰ্থনৈতিক পৰিকল্পনা সফলতাৰে ৰূপায়িত কৰাৰ অভিজ্ঞতা আছে।

পৃথিৱীৰ অন্যান্য দেশৰ তুলনাত ভাৰতৰ জনমুৰি আয় যথেষ্ট কম। ভাৰতৰ অৰ্থনৈতিক ভাৱে পিচপৰা ৰাজ্য যেনে— উৰিষ্যা, অসম আৰু উত্তৰ-পূৱৰ অইন ৰাজ্যসমূহে আৰ্থিক অনাটনৰ সমস্যাৰ সন্মুখীন হৈছে। দেশখনে সন্মুখীন হোৱা আৰ্থিক দুৰৱস্থা ৰোধ কৰাৰ ক্ষেত্ৰত অৰ্থনৈতিক পৰিকল্পনাই এক বৃহৎ ভূমিকা পালন কৰে। সেয়ে দেশৰ অন্যান্য অঞ্চলৰ লগতে অসমকে অৰ্ন্তভুক্ত কৰি উত্তৰ-পূৱৰ সকলো ৰাজ্যই নিজৰ ৰাজ্যৰ লগতে অঞ্চলটোৰ সামগ্ৰিক উন্নয়নৰ লক্ষ্য আগত ৰাখি অৰ্থনৈতিক পৰিকল্পনাৰ আৰম্ভণি কৰিছে।

অৰ্থনৈতিক পৰিকল্পনাৰ প্ৰধান উদ্দেশ্য হৈছে সম্পদৰ সৰ্বাধিক ব্যৱহাৰৰ দ্বাৰা অঞ্চলৰ অৰ্থনৈতিক উন্নয়ন ত্বৰায়িত কৰা যাতে জনসাধাৰণে নাৰ্য্য বা উচিত মানৰ আৰ্থিক সুখ লাভ কৰে। পৰিকল্পনাৰ অইন এটা উদ্দেশ্য হৈছে সম্পদ আৰু আয়ৰ মাজত থকা অসমতা হ্ৰাস কৰা। যদিও স্বাধীনতাৰ আগৰ পৰা কিছুমান লোকে দেশত প্ৰণালীবদ্ধ পৰিকল্পনাৰ আৰম্ভ কৰিছিল, তথাপিও ১৯৫০ চনৰ মাৰ্চতহে ভাৰতৰ প্ৰকৃত পৰিকল্পনাৰ আৰম্ভণি হৈছিল যেতিয়া পণ্ডিত জৱহাৰলাল নেহেৰু ভাৰতীয় পৰিকল্পনা আয়োগৰ সভাপতি হৈছিল। প্ৰথম পৰিকল্পনাৰ খচৰা ১৯৫১ চনৰ ১ এপ্ৰিলৰ পৰা ১৯৫৬ চনৰ মাৰ্চ মাহলৈকে সামৰি ১৯৫১ চনৰ জুলাই মাহত আয়োগ উপস্থাপন কৰিছিল। একেদৰে ৰাজ্যসমূহৰ পৰিকল্পনাসমূহো বিভিন্ন ৰাজ্যৰ চৰকাৰসমূহে পৰিকল্পনা আয়োগে অনুমতি দিয়াৰ আগতে উপস্থাপন কৰে। এইদৰেই দেশৰ অন্যান্য ৰাজ্যৰ লগতে অসমতো পাছ বছৰীয়া পৰিকল্পনাৰ সূচনা কৰা হয়। ভাৰতীয় পৰিকল্পনা আয়োগ আৰু ৰাজ্যিক পৰিকল্পনা বোৰ্ডে নিৰ্ধাৰিত কৰি দিয়া নিয়ম অনুসৰি অসমৰ পৰিকল্পনা আৰু উন্নয়ন তথা পাহাৰুৱা অঞ্চল উন্নয়ন বিভাগ, ৰাজ্যিক পৰিকল্পনা চূড়ান্ত ৰূপে দিয়ে। কেন্দ্ৰ আৰু উঃ-পূৱৰ ৰাজ্যসমূহৰ উমৈহতীয়া বিষয় সমূহ আলোচনা কৰিবৰ নিমিত্তে সংসদৰ নিয়মৰ অধীনত ১৯৭২ চনৰ আগষ্ট মাহত এখন মন্ত্ৰণা পৰিষদ গঠন কৰা হয় যিখন উঃ-পূঃ পৰিষদ (North East Council) নামেৰে জনাজাত। এই ৰাজ্যিক পৰিকল্পনাৰ উপৰিও একেকাঠি আৰু সমতুল্য আঞ্চলিক পৰিকল্পনাৰ দ্বাৰা উত্তৰ-পূৱৰ ৰাজ্যসমূহৰ মাজত সমতা আৰু সমন্বয়

প্ৰশ্ন নং ২ ঃ ভাৰতৰ পৰিকল্পনাৰ মুখ্য উদ্দেশ্যসমূহ কি আছিল? (৫০ টা শব্দৰ ভিতৰত)।

.....

.....

১৪.৩.১ অসমৰ পৰিকল্পনাৰ প্ৰধান সফলতাসমূহ

অসমৰ অৰ্থনৈতিক পৰিকল্পনাৰ পৰিণামসমূহ পৰ্য্যালোচনা কৰিবলৈ হ'লে আমি তলত দিয়া সফলতাসমূহৰ ওপৰত আলোকপাত কৰিব লাগিব —

- *জাতীয় আয় আৰু জনমুৰি আয় ঃ* এইটো দেখা যায় যে অসম জাতীয় আয় প্ৰথম আৰু দ্বিতীয় পৰিকল্পনাত ক্ৰমে ১৯.৮% আৰু ২০.৬% বৃদ্ধি পাইছে আৰু ষষ্ঠ আৰু সপ্তম পৰিকল্পনাত ক্ৰমে ৩৩.২% আৰু ২৪.১% লৈ বৃদ্ধি পাইছে। স্থিৰ দৰৰ হিচাপত বছৰি গড় উন্নয়নৰ হাৰ (NSDP) ১ ম আৰু ২ য় পৰিকল্পনাত আছিল ক্ৰমে ৩.৯৪% আৰু ২.১২% কিন্তু ষষ্ঠ আৰু সপ্তম পৰিকল্পনাত এই হাৰ বৃদ্ধি হৈ ক্ৰমে ৬.৬৪% আৰু ৪.৮২% হৈছিলগৈ। একেদৰে দশম আৰু একাদশ পৰিকল্পনাত এই হাৰ ক্ৰমে ৬.৮৫% আৰু ৪.০৪% হৈছিল। যদিও গোলকীকৰণৰ পিছত জনমুৰি আয় বৃদ্ধিৰ হাৰ সন্তোষজনক নাছিল তথাপিও দশম আৰু একাদশ পৰিকল্পনাৰ সময়ছোৱাত চলিত দামৰ ভিত্তিত অসমৰ পঞ্জীয়নযুক্ত জনমুৰি আয় বৃদ্ধিৰ হাৰ ক্ৰমে ২৭.৪% আৰু ২০.২%।
- *কৃষি উন্নয়ন ঃ* পৰিকল্পনাৰ কালছোৱাত অসমৰ খাদ্য শস্যৰ উৎপাদন বৃদ্ধি হৈছে। তলত দিয়া তালিকাৰ পৰা অসমৰ মুঠ খাদ্য শস্যৰ উৎপাদন বৃদ্ধিৰ বিষয়ে জানিব পাৰি।

তালিকা ঃ ১৪.১

চন	উৎপাদিত খাদ্য শস্যৰ পৰিমাণ
১৯৫১-৫২	১৭.৫৩ লাখ টন
১৯৮৯-৯০	২৯.৫১ লাখ টন
১৯৯৭-৯৮	৩৫.৮৪ লাখ টন
২০০১-০২	৪০.২৮ লাখ টন

উৎস ঃ *ওপৰৰ তালিকাৰ পৰা দেখা যায় যে খাদ্য শস্যৰ উৎপাদন পৰিকল্পনাৰ কালছোৱাত ক্ৰমান্বয়ে বৃদ্ধি পাইছে।*

- *উদ্যোগিক উন্নয়ন ঃ* যদিও ১ ম আৰু ২ য় পৰিকল্পনাৰ সময়ছোৱাত অসমৰ উদ্যোগিক উন্নয়নৰ হাৰ মন্থৰ গতি আছিল তথাপিও ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ ক্ষেত্ৰত ভালেসংখ্যক নতুন উদ্যোগৰ আৰম্ভণি হৈছিল। উদাহৰণস্বৰূপে নুনমাটি তেল শোধানাগাৰ, নামৰূপ কাৰখানা, অশোক কাগজ

উন্নয়ন, উদ্যোগিক উন্নয়ন বৃদ্ধিত সহায় কৰে। অৱশ্যে কিছুমান বিশেষ এলেকাত অৰ্থনৈতিক পৰিকল্পনাই কৃতকাৰ্য্য লাভ কৰিব পৰা নাই। তলত পৰিকল্পনাৰ বিফলতাসমূহ আলোচনা কৰা হ'ল।



জানি থোৱা ভাল

দ্বাদশ পৰিকল্পনা (২০১২-১৭) ই ভাৰতৰ অন্তিম পঞ্চবার্ষিক পৰিকল্পনা, যিখনে শতকৰা ৯% উন্নয়নৰ হাৰ লাভ কৰাৰ লক্ষ্য স্থিৰ কৰিছিল। অৱশ্যে গোলকীয় পৰিস্থিতিৰ অৱনতিৰ ফলস্বৰূপে, পৰিকল্পনা আয়োগৰ উপ-সভাপতি (Deputy Chairman) মনমোহন সিং আহুলিয়ালাই কৈছে যে পিছৰ পঞ্চবার্ষিক পৰিকল্পনাতো বছৰি গড়ে উন্নয়নৰ হাৰ লাভ কৰাটো সক্ষম নহব। অসমে দ্বাদশ পৰিকল্পনাত (২০১২-১৭) গড়ে কম পক্ষেও ৯.৩৮% উন্নয়নৰ লক্ষ্য আশা কৰিছিল।

১৪.৩.২ অসমৰ পৰিকল্পনাৰ বিফলতাসমূহ

আৰ্থ সামাজিক দিশত অসমৰ অৰ্থনৈতিক পৰিকল্পনাই কৃতকাৰ্য্য লাভ কৰিলেও লক্ষ্যত উপনীত হ'ব পৰাকৈ সফলতা লাভ কৰা উদ্দেশ্যসমূহ বহুত কম আছিল। তলত দিয়া বিষয়কেইটাৰ ক্ষেত্ৰত পৰিকল্পনাই লক্ষ্যপ্ৰাপ্তিৰ ক্ষেত্ৰত বিফল হৈছিল।

- *জীৱন নির্বাহৰ মান উন্নত কৰাত ব্যর্থতা ঃ* পাছ বছৰীয়া পৰিকল্পনাই মানুহৰ জীয়াই থকাৰ মান উন্নত কৰাৰ বাবে লোৱা লক্ষ্যপ্ৰাপ্তিৰ বিফল হৈছে আৰু নূন্যতম পুষ্টিকাৰক, গৃহৰ সুবিধা পর্য্যাপ্ত দৰৰ আৰু কাপোৰৰ সুবিধা দিয়াটো ব্যর্থ হৈছে। দৰিদ্রতা নির্মূলৰ অসফল আঁচনিৰ ফলস্বৰূপে দৰিদ্র সীমাৰেখাৰ তলত থকা মানুহৰ সংখ্যাও শতকৰা হিচাপত হ্রাস হোৱা নাই।
- *নিবনুৱা সমস্যা সমাধানত ব্যর্থতা ঃ* পাছ বছৰীয়া পৰিকল্পনাই অঞ্চলটোৰ নিবনুৱা সমস্যা সমাধানৰ বাবে প্রয়োজন হোৱা পর্যাপ্ত পৰিমাণৰ নিয়োগ সৃষ্টিত বিফল হৈছে। তথ্য অনুসৰি অসমৰ নিবনুৱাৰ পৰিমাণ ১৯৭৫ চনত ১.৯ লাখৰ পৰা ২০১৩ চনত ১৪.৭৩ লাখ হয়গৈ।
- *উৎপাদিত খণ্ডৰ গতিশীলতা অর্জনত ব্যর্থতা ঃ* বর্ত্তমানেও উৎপাদিত খণ্ডবোৰ স্থিবিৰ অৱস্থাত চলি আছে। কৃষি আৰু উদ্যোগ দুয়োটা খণ্ডই একেলগে এতিয়াও গতি কৰিব পৰা নাই। অসমৰ নিচিনা এখন ৰাজ্য যিখনৰ আধাতকৈও বেছি মানুহ কৃষিৰ ওপৰত নির্ভৰশীল সেইখন ৰাজ্যই খাদ্য শস্য আৰু অন্যান্য খাদ্য সামগ্রী আমদানি কৰে।

ৰাজ্যিক পৰিকল্পনাৰ চূড়ান্ত ৰূপ দিয়ে।

- কেন্দ্ৰ আৰু ৰাজ্যৰ উমৈহতীয়া বিষয়সমূহ আলোচনা কৰিবৰ নিমিত্তে সংসদৰ নিয়মৰ অধীনত ১৯৭২ চনৰ আগষ্ট মাহত এখন মন্ত্ৰণা পৰিষদ গঠন কৰা হয়, যিখন উঃ-পূৰ পৰিষদ (North East Council) নামেৰে জনাজাত।
- NITI (The National Institution for Transformation of India), নীতি আয়োগ কেন্দ্ৰীয় চৰকাৰৰ নীতি নিৰ্দ্ধাৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।
- অসমৰ পাছ বছৰীয়া পৰিকল্পনাই অঞ্চলটোৰ নিবনুৱা লোকসকলক সংস্থাপনৰ সুবিধা দিব পৰাকৈ যথেষ্ট সংখ্যক নিয়োগ সৃষ্টিত ব্যৰ্থ হৈছে।
- ধনী আৰু দুখীয়াৰ মাজত থকা ব্যৱধানে স্বাস্থ্য আয়ৰ বিতৰণত অসমতাৰ সৃষ্টি কৰিছে।
- সম্পদৰ উপযুক্ত ব্যৱহাৰৰ অভাৱৰ বাবে অসমৰ পাছ বছৰীয়া পৰিকল্পনাই বিভিন্ন খণ্ডৰ লক্ষ্যপ্ৰাপ্তিত বিফল হৈছে।
- সমতাপূৰ্ণ আঞ্চলিক উন্নয়নৰ বাবে নীতি আয়োগে ভাৰতৰ চাৰিটা অঞ্চল নিশ্চিত কৰিছে। এই চাৰিটাৰ ভিতৰত অসম, মণিপুৰ, মেঘালয়, ত্ৰিপুৰা, নাগালেণ্ড, অৰুণাচল প্ৰদেশ, মিজোৰাম আৰু চিকিমকে ধৰি উত্তৰ-পূৰ অঞ্চল এটা অঞ্চল হিচাপে চিহ্নিত হৈছে।
- পঞ্চম পৰিকল্পনাই মানুহৰ জীৱন নিৰ্বাহৰ মান উন্নত কৰাত ব্যৰ্থ হৈছে আৰু নূন্যতম পুষ্টিকৰ আহাৰ, বস্ত্ৰ আৰু গৃহ নিৰ্মাণ সুবিধা দিয়াতো অসফল হৈছে।

১৪.৫ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ পঞ্চম পৰিকল্পনা ১৯৫১ চনৰ পৰা আৰম্ভ হৈছে। ১৯৫১ চনৰ জুলাই মাহত পৰিকল্পনা আয়োগে ১ ম পৰিকল্পনাৰ খচৰা ১৯৫১ চনৰ ১ এপ্ৰিলৰ পৰা ১৯৫৬ চনৰ ৩১ মাৰ্চলৈকে সময়সীমা সামৰি উপস্থাপন কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ অৰ্থনৈতিক পৰিকল্পনাৰ প্ৰধান উদ্দেশ্য হৈছে দেশৰ অৰ্থনৈতিক উন্নয়ন। অৰ্থনৈতিক পৰিকল্পনা এনে এটা পদ্ধতি যাৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰে প্ৰধান অৰ্থনৈতিক সিদ্ধান্তবোৰ তৈয়াৰ কৰে। মানুহৰ প্ৰয়োজন তথা উপযুক্ত সম্পদৰ ওপৰত ভিত্তি কৰি এক নিৰ্দিষ্ট সময়ৰ ভিতৰত উন্নয়নমূলক পৰিকল্পনাবোৰ কেন্দ্ৰীয় পৰিকল্পনা আয়োগলৈ হস্তান্তৰ কৰাৰ আগতেই প্ৰস্তুত কৰি লয়। আৰু তাৰ পিছত দেশৰ আৰ্থিক কাৰ্যৱলী বাস্তৱত ৰূপায়িত কৰিবলৈ পৰিকল্পনা আয়োগে নিৰ্দেশ দিয়ে।

অধ্যায় ১৫ঃ উত্তৰ-পূৰ ভৱিষ্য দৰ্শন নথি ২০২০

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ ভৱিষ্য দৰ্শন নথি ২০২০

১৫.৪ শান্তি আৰু উন্নতিৰ অগ্রগতি

১৫.৫ ভৱিষ্য দৰ্শন নথিৰ বাস্তৱীকৰণ

১৫.৬ সপোন বাস্তৱত ৰূপান্তৰিতকৰণ

১৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.৫ অধিক জানিবলৈ

১৫.৬ অগ্রগতিৰ খটিয়ান

১৫.৭ আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য

প্রাক্তন প্রধানমন্ত্রী ড° মনমোহন সিঙে ২০০৮ চনৰ ২ জুলাই তাৰিখে উত্তৰ-পূৱৰ ভৱিষ্য দৰ্শন নথি ২০২০ মোকোলাই দিয়ে।

এই অধ্যায়টো অধ্যয়ন কৰাৰ পিছত আপোনালোক সক্ষম হ'ব ঃ—

- উত্তৰ-পূৱ ভৱিষ্য দৰ্শন নথি ২০২০ কি ?
- উত্তৰ-পূৱ অঞ্চলৰ ভৱিষ্য দৰ্শন নথিৰ উদ্দেশ্য সম্পর্কে
- উত্তৰ-পূৱৰ উন্নয়নৰ প্রতিবন্ধকতাসমূহ চিনাক্তকৰণ।
- উত্তৰ-পূৱৰ বিভিন্ন খণ্ডৰ উন্নয়নৰ বাবে আগবঢ়োৱা কৌশলসমূহৰ পৰামর্শৱলী আদিৰ বিষয়ে জানিবলৈ সক্ষম হ'ব।

১৫.২ পৰিচয়

উত্তৰ-পূৱ পৰিষদে ২০০৮ চনৰ ১৩ মে ত আগৰতলাত অনুষ্ঠিত হোৱা পৰিষদৰ ৫৬ তম পূর্ণাঙ্গ সভাত উত্তৰ-পূৱৰ ভৱিষ্য দৰ্শন নথি ২০২০ প্রস্তাৱ উত্থাপন কৰে আৰু সকলো সদস্যই এই প্রস্তাৱত চহী কৰি তাক গৃহীত কৰে। পিচলৈ প্রধানমন্ত্রী ড° মনমোহন সিঙে এই নথি ২০০৮ চনৰ ২ জুলাইত ৰাইজৰ বাবে মুকলি কৰি দিয়ে। ভৱিষ্য দৰ্শন নথি ২০২০ ৰ কার্য্যকৰী কৰিবৰ বাবে লোৱা উন্নয়নৰ আচঁনি পৰিকল্পনাৰ বাবে ১৭ টা দল গঠন কৰা হৈছিল। উত্তৰ-পূৱ অঞ্চলৰ উন্নয়নৰ বাবে এই ১৭ টা দলৰ প্রতিটোকে উদঘাটন এলেকা হিচাপে চিহ্নিতকৰণ কৰা হৈছিল। দ্বাদশ পঞ্চবার্ষিক পৰিকল্পনা (২০১২-২০১৭) অনুসৰি উত্তৰ-পূৱ

উন্নয়ন ৮% তকৈ বেছি এইটো বিশেষকৈ সক্ষম হৈছে উচ্চ পৰিকল্পনা বিনিয়োগ আৰু পৰিকাঠামো ব্যৱস্থাৰ উন্নয়নত গুৰুত্ব আৰোপ কৰাৰ বাবে।

১৫.৪ শান্তি আৰু উন্নতিৰ অগ্রগতি

উত্তৰ-পূৰ অঞ্চলৰ শান্তি আৰু উন্নতিৰ প্রতিবন্ধকতা বহুত বেছি। বিভিন্ন উন্নয়নমূলক ফলাফলৰ পৰিপ্রেক্ষিতত ইতিমধ্যেই উত্তৰ-পূৰ অঞ্চল আৰু দেশৰ অইন প্রান্তৰ লগত এটা ডাঙৰ ব্যৱধান আছে। প্রাকৃতিক তথা মানৱ সম্পদত চহকী স্বত্বেও উত্তৰ-পূৰ অঞ্চলৰ মানুহৰ দক্ষতা আৰু অনুষ্ঠানৰ ক্ষেত্রত ভাৰতৰ অন্যান্য অঞ্চলৰ এই অঞ্চলৰ এক বৃহৎ পার্থক্য পৰিলক্ষিত হয়। অঞ্চলটোৰ ভিতৰতো পাহাৰ আৰু ভৈয়ামৰ মাজত যথেষ্ট পার্থক্য দেখা যায়। যদিও গোটেই অঞ্চলটোত যথেষ্ট বিভিন্নতা বিৰাজমান তথাপিও মানুহৰ প্রয়োজন আৰু অগ্রাধিকাৰৰ ভিত্তিত আৰু অঞ্চলটোত প্রাচুর্য্যতা থকা সম্পদৰ জৰিয়তে এক কৌশলপূর্ণ উন্নয়ন মূলক আচঁনি প্রণয়নৰ প্রয়োজন হৈছে। ইয়াৰ উপৰিও যিহেতু এই অঞ্চলৰ এক বৃহৎ সংখ্যক মানুহ জনজাতীয় সেয়েহে উন্নয়নমূলক আচঁনিসমূহ সদায় সকলোৱে অংশ লব পৰা ধৰণৰ (Partiepatory) হোৱা উচিত। এই কৌশলসমূহৰ বিভিন্ন স্থিতি বা ভাবসমূহ তলত দিয়া ধৰণৰ হোৱা উচিত।

- **দেশৰ অইন প্রান্তৰ লগত সংগতি ৰক্ষা কৰা ঃ** আগৰ অধ্যায়বোৰত উল্লেখ কৰাৰ দৰে উত্তৰ-পূৰ অঞ্চল ভাৰতৰ ভিতৰতে প্রাকৃতিক সম্পদত চহকী তথা এই অঞ্চলক পৃথিৱীৰ ভিতৰত জৈৱ বৈচিত্রতাৰ উৎসস্থলী বুলি অভিহিত কৰা হয়। ইয়াৰ উপৰিও অধিক বৰষুণ হোৱা এই অঞ্চলৰ সেউজীয়া ঘন জংঘল বহুতো আপুৰুগীয়া জীৱৰ বসবাসস্থলী। বিভিন্ন প্রজাতিৰ বৈচিত্রপূর্ণ গছ-গছনি তথা জীৱৰ মিলনভূমি হৈছে উত্তৰ-পূৰ অঞ্চলৰ ঘন সেউজীয়া হাবিখণ্ড। অৱশ্যে চলিত দৰৰ জনমুৰি আয় অনুসৰি মানুহৰ জীৱন নির্বাহৰ মান উত্তৰ-পূৰ ২০১৩-১৪ চনত আছিল ৪৯,৯৫৯ টকা আনহাতে গোটেই ভাৰতত ইয়াৰ পৰিমাণ সেই একেই বছৰত আছিল ৬৮,৭৪৭ টকা। আটাইতকৈ গুৰুত্বপূর্ণ কথাটো হ'ল স্বাধীনতাৰ সময়ত অবিভক্ত অসমত অর্থাৎ সাতভনীৰ অসমত জনমুৰি আয় ভাৰতবর্ষৰ জনমুৰি আয়তকৈ ৪ গুণ বেছি আছিল। আনকি বৃটিছৰ ৰাজত্বৰ সময়তো উত্তৰ-পূৰ অঞ্চলৰ আর্থিক অৱস্থা ভাৰতৰ অন্যান্য প্রান্ততকৈ উন্নত আছিল। কিন্তু বর্ত্তমানে এই অঞ্চল দেশৰ অইন অঞ্চলতকৈ ঘাইপথৰ দৈঘ্য, শক্তিৰ ব্যৱহাৰ, স্বাস্থ্য সেৱাৰ উপলব্ধ আদিত যথেষ্ট পিছপৰি আছে ২০২০ চনলৈ প্রতি বছৰে গড়ে ১২.৯৫% উন্নয়নৰ হাৰৰ লক্ষ্যৰে উত্তৰ-পূৰ অঞ্চলৰ মানুহৰ জীয়াই থকাৰ মান দেশৰ অইন অঞ্চলৰ লগত উন্নত কৰিবলৈ চেষ্টা হাতত লোৱা হৈছে। ইয়াৰ বাবে এক বৃহৎ পৰিমাণৰ বিনিয়োগ সামাজিক আৰু আর্থিক পৰিকাঠামো ব্যৱস্থাৰ উন্নত কৰিবলৈ কৰিব লাগিব লগতে ব্যক্তিগত খণ্ডত বিনিয়োগ কৰাৰ পৰিবেশ এটাৰো সৃষ্টি কৰিব লাগিব। আৰু এইটো তেতিয়াহে সম্ভৱ হ'ৱ যেতিয়া মানৱ সম্পদ আৰু সামাজিক

- **জনসংখ্যা আৰু অনুষ্ঠানৰ দক্ষতা সৃষ্টি ঃ** উত্তৰ-পূৰৰ ভৱিষ্য দৰ্শন নথি ২০২০ এটা গুৰুত্বপূৰ্ণ উপাদান হৈছে উচ্চ পৰ্য্যায়ৰ মানৰ উন্নয়ন সৃষ্টি। স্বাস্থ্য আৰু শিক্ষা খণ্ডৰ অগ্ৰগতিয়ে মানুহৰ জীৱন নিৰ্বাহৰ মান উন্নত কৰে। সম্পদৰ উপযুক্ত ব্যৱহাৰৰ বাবে বেচৰকাৰী বিনিয়োগৰ দৰকাৰ যিয়ে দক্ষ শ্ৰমিকৰ জন্ম দিয়ে। সেয়ে উন্নয়নমূলক কৌশলবোৰ এনে হ'ব লাগে যাতে ই শক্তিশালী খিলঞ্জীয়া উদ্যোক্তাৰ জন্ম দিয়ে।

  এইবোৰৰ উপৰিও শক্তিশালী মানৰ সম্পদ গঢ়ি তুলিবলৈ চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠানবোৰে উত্তৰ-পূৰৰ উন্নয়নৰ বাবে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অনুষ্ঠানবোৰ এনেভাৱে গঢ়ি তোলা উচিত যাতে এইবোৰে মানুহৰ সামৰ্থ সৃষ্টি কৰিব পাৰে। NEC আৰু MDONER আদি অনুষ্ঠানবোৰৰ ভূমিকা স্পষ্ট কৰিব লাগে।
- **শান্তি সমন্বয় সৃষ্টি ঃ** যি কোনো অৰ্থনীতিৰ বাবে এটা অঞ্চলৰ উন্নয়নৰ নিমিত্তে শান্তি আৰু সমন্বয় বজাই ৰখা দৰকাৰ। শান্তি অবিহনে উন্নয়ন অসম্ভৱ। বিচ্ছিন্নতাবাদে ইতিমধ্যেই উন্নয়ন পথত ব্যাঘাত জন্মাইছে। উঃ-পূৰৰ উন্নয়ন আৰু বিকাশৰ বাবে বিচ্ছিন্নবাদী ৰোধ কৰাটো এটা জৰুৰী প্ৰত্যাহ্বান।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ তিনিটা এলেকাৰ নাম উল্লেখ কৰা য'ত উত্তৰ-পূৰ অঞ্চলৰ উন্নয়নৰ বাবে প্ৰায়োজনীয় হস্তক্ষেপণৰ আৱশ্যক (২০ টা শব্দৰ ভিতৰত)

.....

.....

প্ৰশ্ন নং ২ ঃ গাঁঠনিগত পৰিবৰ্তনৰ ধাৰণাটো ব্যাখ্যা কৰা (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

১৫.৫ ভৱিষ্য দৰ্শন নথিৰ বাস্তৱীকৰণ (Realisation)

উত্তৰ-পূৰ অঞ্চলৰ উন্নয়নৰ দৰ্শন নথিৰ বাস্তৱ ৰূপ দিয়াত যথেষ্ট প্ৰতিবন্ধকতা আছে আৰু শান্তি সমৃদ্ধিৰ বাটত উপনীত হোৱাটোও অশেষ কষ্টকৰ। ১৯৯৭ চনত প্ৰধানমন্ত্ৰীৰ দ্বাৰা গঠন হোৱা এখন উচ্চ পৰ্য্যায়ৰ আয়োগে উল্লেখ কৰে যে উত্তৰ-পূৰ অঞ্চলত মূল চাৰিটা ঘাটি আছে। এই কেইটা হ'ল—

- এটা মূল প্ৰয়োজনীয় ঘাটি



১৫.৭ অধ্যায়টিৰ পৰা কি শিকিলোঁ

- উত্তৰ-পূৰ পৰিষদে ২০০৮ চনৰ ১৩ মে'ত আগৰতলাত অনুষ্ঠিত হোৱা পৰিষদৰ ৫৬ তম পূৰ্ণাঙ্গ সভাত উত্তৰ-পূৰ অঞ্চলৰ ভৱিষ্য দৰ্শন নথি ২০২০ ৰ প্ৰস্তাৱ উত্থাপন কৰে আৰু সকলো সদস্যই এই প্ৰস্তাৱত চহী কৰি তাক অনুমোদন জনায়।
- পিছলৈ প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙে ২০০৮ চনৰ ২ জুলাই তাৰিখে এই নথি মোকলাই দিয়ে।
- ভৱিষ্য দৰ্শন নথি ২০২০ৰ বাবে কাৰ্য্যক্ষম কৰি তুলিবলৈ ১৭ টা দল গঠন কৰা হৈছিল আৰু প্ৰতিটো দলকে উঃ-পূৰ অঞ্চলৰ উন্নয়নৰ বাবে 'উদ্‌ঘাটন এলেকা' হিচাপে চিহ্নিত কৰা হৈছিল।
- অৰ্থনীতিৰ গাঁঠনিগত পৰিবৰ্তন, দৰিদ্ৰতা নিৰ্মূলকৰণ, সম্পদৰ উপযুক্ত ব্যৱহাৰ, বাণিজ্যিক কেন্দ্ৰ স্থাপনৰ জৰিয়তে উত্তৰ-পূৰৰ শান্তি, সমৃদ্ধি আৰু বিকাশ খৰতকীয়া কৰা।
- ১৯৯৭ চনত প্ৰধানমন্ত্ৰীৰ দ্বাৰা গঠিত হোৱা এখন উচ্চ পৰ্য্যায়ৰ আয়োগে উঃ পূৰত চাৰি প্ৰকাৰৰ ঘাটি আছে বুলি উল্লেখ কৰে। সেইবোৰ হ'ল —
  - এটা মূল প্ৰয়োজনীয় ঘাটি
  - এটা পৰিকাঠামো ব্যৱস্থাৰ ঘাটি
  - এটা সম্পদ ঘাটি
  - দেশৰ অন্যপ্ৰান্তৰ লগত থকা বুজাবুজিৰ দ্বৈত ঘাটি।
- উত্তৰ-পূৰ অঞ্চলৰ শান্তি সম্প্ৰীতি অটুট ৰখাটো অসম্ভৱ নহয় কিন্তু ইয়াক আহৰণ কৰাটো সহজো নহয়।
- ভৱিষ্য দৰ্শন নথি ৰূপায়িত কৰাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল স্থানীয় লোকক সঠিকভাৱে আগুৱাই নিয়া।



১৫.৮ অধিক জানিবলৈ

1] Dhar, P.K, *The Economy of Assam (including Economy of North East India)*, Kalyani Publishers, 2014

2] http://necouncil.gov.in/about-us/nec-vision-2020.



প্ৰসঙ্গ পুথি (পাঠ্য বিষয়ৰ আটাইকেইটা অধ্যায়ৰ বাবে প্ৰযোজ্য)

অসমীয়া গ্ৰন্থ ঃ

১) ড০ প্ৰণৱ কুমাৰ ধৰ, *অসমৰ অৰ্থনীতি (উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনীতি সহঃ)*, কল্যাণী পাব্লিচার্চ।

ইংৰাজী গ্ৰন্থ ঃ

১) Bordoloi and Neog: *Economy of the North East,* ZBS Publications.

2] Dhar, P.K. : *The Economy of Assam (Including Economy of North East India)*, Kalyani Publishers.

3] Singh, A.K. *Pattern of Regional Development*, Sterling.

REPORTS :

1] Census of India, 2001, 2011

2] Centre for Monitoring Indian Economy, *Agriculture (March 2006)*

3] Economic Review of Tripura, 2008-09

4] Economic Survey of Assam, 2008-09 (and earlier issues)

5] Economic Survey of Manipur 2008-09

6] Economic Survey of Sikkim, 2006-07

7] Indian States at a Glance, 2005-05, 2008-09, Pearson

8] National Health Profile (NHP) of India, 2008

9] NECERT (2006): '*Learning Achievements of Class V Students: A Baseline Study*'

10] NEDFi Databank (various issues)

11] Reserve Bank of India, (2006): '*Report of the Committee for Financial Sector Plan for North Eastern Region'*, July.

12] Reserve Bank of India: '*Report on Trend and Progress on Banking in India, 2008-09'*.

13] *Statistical Handbook of Assam, 2007, Directorate of Economics and Statistics (and earlier issues)*

14] Statistical Handbook of Mizoram, 2008

15] Statistical Handbook of Nagaland 2008

16] Statistical Pocket Book India, 2008

17] The Statistical Abstract of Meghalaya, 2009